- উদাৰ নাৰীবাদী আদৰ্শৰ বিৰোধত উগ্ৰ নাৰীবাদৰ উত্থান ঘটিছিল।
- উগ্ৰ নাৰীবাদক দুটা বহল ভাগত ভগোৱা হয়- উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী আৰু উগ্ৰ -সাংস্কৃতিক নাৰীবাদ।
- সামাজিক লিংগ, যৌনতা, প্ৰজনন আৰু মাতৃত্ব হ'ল উগ্ৰ নাৰীবাদে সামৰি লোৱা কেইটামান গুৰুত্বপূৰ্ণ বিষয়।



৪.৫ অধিক জানিবলৈ

1) Tong,Rosemarie.(2009).*Feminist Thought-A More Comprehensive Iintroduction.* Colarado:Westview Press

৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্ৰুপদী উদাৰ নাৰীবাদ আৰু কল্যাণকামী উদাৰ নাৰীবাদ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মেৰী ৱু'লষ্টোনক্ৰাফ্ট।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'ফ্লেক্সিটাইম' হ'ল এনে এক ব্যৱস্থা যিটোৱে কৰ্মচাৰীক কামত যোগ দিয়াৰ সময় আৰু কামৰ পৰা বিৰতি লোৱাৰ সময় ঠিৰাং কৰাৰ অনুমতি দিয়ে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নাৰীসুলভ (ভাল)আৰু পুৰুষসুলভ (ভাল) উভয় ধৰণৰ বৈশিষ্ট্যৰে গঢ় লোৱা ব্যক্তিত্ব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদ আৰু উগ্ৰ-সাংস্কৃতিক নাৰীবাদ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পিতৃপ্ৰধান সমাজ ব্যৱস্থা হ'ল এটা পদানুক্ৰম অনুসৰণকাৰী ব্যৱস্থা। ইয়াত কেৱল ক্ষমতাক সৰ্বাধিক গুৰুত্ব দিয়া হয়। নাৰী / প্ৰকৃতিক নিয়ন্ত্ৰণ কৰিবলৈ পুৰুষৰ মনত জাগি উঠা ইচ্ছাৰ পৰাই ক্ষমতাৰ সৃষ্টি হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উগ্ৰ -ব্যক্তিস্বাতন্ত্ৰ্যবাদী নাৰীবাদে।

৪.৭ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ The Sexual Politics নামৰ গ্ৰন্থখন কোনে লিখিছে?

খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ নাৰীৰ ওপৰত চলা নিপীড়ন সম্পৰ্কে উগ্ৰ নাৰীবাদী দৃষ্টিভংগীবোৰ কেনেধৰণৰ?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বিংশ শতিকাৰ উদাৰ নাৰীবিাদৰ অন্তৰ্গত অভেদ বনাম প্ৰভেদ বিতৰ্কটো আলোচনা কৰক।

****